03-10-2024 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – ৰাৱণৰ বিধি হৈছে আসুৰি মত, মিছা কথা কোৱা, পিতাৰ বিধি হৈছে শ্ৰীমত, সঁচা কথা কোৱা"**

প্ৰশ্ন: কোনবোৰ কথা বিচাৰ কৰি সন্তানসকল আচম্বিত হোৱা উচিত?

উত্তৰ: 1) এইখন কেনেকুৱা বেহদৰ বিস্ময়কৰ নাটক, যি চেহেৰা, যি কৰ্মকাণ্ড প্ৰত্যেক চেকেণ্ডত পাৰ হৈ গ'ল সেয়া পুনৰ হুবহু পুনৰাবৃত্তি হ'ব। কিমান বিস্ময়কৰ যে এজনৰ চেহেৰা আনজনৰ লগত নিমিলে। 2) কেনেকৈ বেহদৰ পিতা আহি গোটেই বিশ্বৰ সৎগতি কৰে, পঢ়ুৱায়, এয়াও বিস্ময়কৰ।

ওঁম্ শান্তি। আত্মিক পিতা শিৱই বহি নিজৰ আত্মিক শালগ্ৰামসকলক বুজাই আছে, কি বুজাই আছে? সৃষ্টিৰ আদি-মধ্য-অন্তৰ ৰহস্য বুজাইছে আৰু এয়া বুজাওঁতা এজনেই পিতা আৰু যিসকল আত্মা অথবা শালগ্ৰাম আছে তেওঁলোকৰ শৰীৰৰ নাম আছে, বাকী এজনেই পৰমাত্মা, যাৰ শৰীৰ নাই। সেই পৰমাত্মাৰ নাম হৈছে শিৱ, তেওঁকেই পতিত-পাৱন পৰমাত্মা বুলি কোৱা হয়। তেৱেঁই তোমালোক সন্তানসকলক এই সমগ্ৰ বিশ্বৰ আদি-মধ্য-অন্তৰ ৰহস্য বুজাই আছে। ভূমিকা পালন কৰিবলৈকেতো সকলো ইয়ালৈ আহে। এয়াও বুজোৱা হৈছে বিষ্ণুৰ দুটা ৰূপ আছে, শংকৰৰতো কোনো ভূমিকা নাই। এই সকলো কথা পিতাই বুজায়। পিতা কেতিয়া আহে? যেতিয়া নতুন সৃষ্টিৰ স্থাপনা আৰু পুৰণি সৃষ্টিৰ বিনাশৰ সময় হয়। সন্তানসকলে জানে যে নতুন সৃষ্টিত এক আদি সনাতন দেৱী দেৱতা ধৰ্ম প্ৰতিষ্ঠা হয়। সেয়াতো পৰমপিতা পৰমাত্মাৰ বাহিৰে আন কোনেও কৰিব নোৱাৰে। তেৱেঁই একমাত্ৰ পৰম আত্মা যাক পৰমাত্মা বুলি কোৱা হয়। তেওঁৰ নাম হৈছে শিৱ। তেওঁৰ শৰীৰৰ নাম নাথাকে। অন্য যিসকল আছে সকলোৰে শৰীৰৰ নাম থাকে। এয়াও বুজি পোৱা যে মুখ্য মুখ্য যিসকল আছে তেওঁলোকতো সকলো আহি গৈছে। ড্ৰামাৰ চক্ৰ ঘূৰি ঘূৰি এতিয়া অন্তত আহি পাইছে। অন্তত পিতাৰহে প্ৰয়োজন। তেওঁৰ জয়ন্তীও উদ্‌যাপন কৰে। শিৱজয়ন্তীও এই সময়তে উদ্‌যাপন কৰে যেতিয়া সৃষ্টি পৰিৱৰ্তনৰ সময় হয়। ঘোৰ অন্ধকাৰৰ পৰা অতি আলোক হয় অৰ্থাৎ দুখধামৰ পৰা সুখধাম হয়। সন্তানসকলে জানে যে পৰমপিতা পৰমাত্মা শিৱ এবাৰেই পুৰুষোত্তম সংগমযুগত পুৰণি সৃষ্টিৰ বিনাশ কৰি নতুন সৃষ্টি স্থাপনা কৰিবলৈ আহে। প্ৰথমে নতুন সৃষ্টি স্থাপনা, পাছত পুৰণি সৃষ্টিৰ বিনাশ হয়। সন্তানসকলে বুজি পায় যে পঢ়ি-শুনি আমি বুদ্ধিমান হ'ব লাগে আৰু দৈৱীগুণো ধাৰণ কৰিব লাগে। আসুৰি অৱগুণ পৰিৱৰ্তন কৰিব লাগে। দৈৱীগুণ আৰু আসুৰি অৱগুণৰ বৰ্ণনা তালিকাত দেখুৱাব লাগে। নিজকে নিৰীক্ষণ কৰিব লাগে মই কাকো বিতুষ্টতো নকৰো? মিছা কথাতো নকওঁ? শ্ৰীমতৰ বিপক্ষেতো নাযাওঁ? মিছা কথা কোৱা, কাৰোবাক দুখ দিয়া, বিতুষ্ট কৰা - এইবিলাক হৈছে ৰাৱণৰ বিধি আৰু সেয়া হৈছে ৰামৰ বিধি। শ্ৰীমত আৰু আসুৰি মতৰ গায়নো আছে। আধাকল্প আসুৰি মত চলে, যাৰ দ্বাৰা মনুষ্য অসুৰ, দুখী, ৰোগী হৈ যায়। পাঁচ বিকাৰৰ প্ৰৱেশ হয়। পিতা আহি শ্ৰীমত দিয়ে। সন্তানসকলে জানে যে শ্ৰীমতৰ দ্বাৰা আমি দৈৱী গুণ প্ৰাপ্ত কৰোঁ। আসুৰি গুণৰ পৰিৱৰ্তন কৰিব লাগে। যদি আসুৰি গুণ ৰৈ যায় তেন্তে পদ কম হৈ যাব। জন্ম-জন্মান্তৰৰ পাপৰ বোজা শিৰত আছে, সেয়া পুৰুষাৰ্থৰ ক্ৰম অনুসৰি পাতল হৈ যাব। এইটোও বুজি পোৱা যে এয়া হৈছে পুৰুষোত্তম সংগমযুগ। পিতাৰ দ্বাৰা এতিয়া দৈৱীগুণ ধাৰণ কৰি নতুন সৃষ্টিৰ মালিক হওঁগৈ। গতিকে এইটো সিদ্ধ হয় যে পুৰণি সৃষ্টিৰ বিনাশ নিশ্চয় হ'বই। নতুন সৃষ্টিৰ স্থাপনা ব্ৰহ্মাকুমাৰ- কুমাৰীসকলৰ দ্বাৰা হ'ব। এইটোও দৃঢ় নিশ্চয় আছে সেইবাবে সেৱাত ব্ৰতী হৈ আছা। কাৰোবাৰ নহয় কাৰোবাৰ কল্যাণ কৰিবলৈ যত্ন কৰি আছা।

তোমালোকে জানা যে আমাৰ ভাই-ভনীসকলে কিমান সেৱা কৰে। সকলোকে পিতাৰ পৰিচয় দি থাকে। পিতা নিশ্চয় আহিছে প্ৰথমতে কিছুসংখ্যকেহে পাব। পাছত বৃদ্ধি হৈ গৈ থাকিব। এজন ব্ৰহ্মাৰ দ্বাৰা কিমান ব্ৰহ্মাকুমাৰ হয়। ব্ৰাহ্মণ কুলতো নিশ্চয় লাগে নহয়। তোমালোকে জানা যে আমি সকলো ব্ৰহ্মাকুমাৰ-কুমাৰী শিৱবাবাৰ সন্তান, সকলো ভাই ভাই। আচলতে ভাই ভাই পাছত প্ৰজাপিতা ব্ৰহ্মাৰ হোৱাৰ পাছত ভাই-ভনী হয়। আকৌ দেৱতা কুলত গ'লে সম্বন্ধ বৃদ্ধি হৈ গৈ থাকিব। এই সময়ত ব্ৰহ্মাৰ পুত্ৰ আৰু পুত্ৰী হোৱা গতিকে এটাই কুল হ'ল, ইয়াক ৰাজবংশ বুলি কোৱা নহ'ব। ৰাজ্য কৌৰৱৰো নাই পাণ্ডৱৰো নাই। ৰাজবংশ তেতিয়াহে হয় যেতিয়া ৰজা-ৰাণী ক্ৰমানুসৰি সিংহাসনত বহে। এতিয়াতো হৈছে প্ৰজাৰ প্ৰজাৰ ওপৰত ৰাজ্য। আৰম্ভণিৰ পৰা পৱিত্ৰ আৰু অপৱিত্ৰ ৰাজবংশ চলি আহিছে। পৱিত্ৰ ৰাজবংশ দেৱতাসকলৰহে চলে। সন্তানসকলে জানে যে 5 হাজাৰ বছৰ পূৰ্বে স্বৰ্গ আছিল তেতিয়া পৱিত্ৰ ৰাজবংশ আছিল। তেওঁলোকৰ চিত্ৰও আছে, কিমান সুন্দৰ মন্দিৰ নিৰ্মাণ কৰা আছে। আন কাৰো মন্দিৰ নাই। এই দেৱতাসকলৰ বহুত

মন্দিৰ আছে।

সন্তানসকলক বুজোৱা হৈছে যে বাকী সকলোৰে শৰীৰৰ নাম সলনি হয়। এওঁৰেই নাম শিৱ চলি আহিছে। শিৱ ভগৱানুবাচ, কোনো দেহধাৰীক ভগৱান বুলি কোৱা নহয়। পিতাৰ বাহিৰে আন কোনেও পিতাৰ পৰিচয় দিব নোৱাৰে কিয়নো তেওঁলোকেতো পিতাক নাজানেই। ইয়াতো বহুত আছে যিসকলৰ বুদ্ধিত এইটো নাই যে পিতাক কেনেকৈ স্মৰণ কৰিব লাগে। বিবুদ্ধিত পৰে। ইমান সূক্ষ্ম বিন্দুক কেনেকৈ স্মৰণ কৰিব। শৰীৰতো ডাঙৰ, সেয়েহে তাকে স্মৰণ কৰি থাকে। এনেকৈও গায়ন আছে ভ্ৰুকুটিৰ মাজত জিলিকি থাকে তৰা অৰ্থাৎ আত্মা তৰাৰ নিচিনা। আত্মাক শালগ্ৰাম বুলি কোৱা হয়। শিৱলিঙ্গৰো ডাঙৰ ৰূপত পূজা হয়। যেনেকৈ আত্মাক দেখা নাযায় তেনেকৈ শিৱবাবাকো কোনেও দেখা নাপায়। ভক্তিমাৰ্গত বিন্দুক কেনেকৈ পূজা কৰিব কিয়নো পোন প্ৰথমে শিৱবাবাৰ অব্যভিচাৰী পূজা আৰম্ভ হয় নহয়। গতিকে পূজাৰ কাৰণে নিশ্চয় ডাঙৰ বস্তুৰ প্ৰয়োজন। শালগ্ৰামো ডাঙৰ ডিম্বাকৃতিত সাজে। এফালে আঙুলিৰ নিচিনা বুলিও কয় আকৌ তৰা বুলিও কয়। এতিয়া তোমালোকে এটা কথাতে মনোনিবেশ কৰিব লাগে। আধাকল্প ডাঙৰ বস্তুৰ পূজা কৰিলা, এতিয়া আকৌ বিন্দু বুলি বুজিবলৈ যত্ন কৰিবলগীয়াও হয়, কিয়নো দেখা পোৱা নাযায়। এয়া বুদ্ধিৰে বুজিব পৰা যায়। আত্মা শৰীৰত প্ৰৱেশ কৰে যি পাছত ওলাই যায়, কোনেও দেখাতো নাপায়। ডাঙৰ বস্তু হ'লে দেখাও পোৱা যাব। পিতাও এনেকুৱা বিন্দু কিন্তু তেওঁ জ্ঞানৰ সাগৰ, আন কাকোৱে জ্ঞানৰ সাগৰ বুলি কোৱা নহয়। শাস্ত্ৰতো হৈছে ভক্তিমাৰ্গৰ। ইমান বেদ-শাস্ত্ৰ আদি কোনে ৰচিলে? এনেকৈ কয় যে ব্যাসে ৰচিলে। যীশুখ্ৰীষ্টৰ আত্মাই কোনো শাস্ত্ৰ আদি ৰচা নাই। এয়াতো পাছত মনুষ্যই বহি ৰচিছে। সেই শাত্ৰবোৰত জ্ঞানতো নাই। জ্ঞান সাগৰ হয়েই এজন পিতা। শাস্ত্ৰত জ্ঞানৰ, সৎগতিৰ কথাবোৰ নাই। প্ৰত্যেক ধৰ্মৰ লোকে নিজৰ নিজৰ ধৰ্ম প্ৰতিষ্ঠাপকক স্মৰণ কৰে। দেহধাৰীক স্মৰণ কৰে। যীশুখ্ৰীষ্টৰো চিত্ৰ আছে নহয়। সকলোৰে চিত্ৰ আছে। শিৱবাবাতো হয়েই পৰম আত্মা। এতিয়া তোমালোকে বুজি পাইছা যে সকলো আত্মা ভাই ভাই। ভাই ভাইৰ মাজত জ্ঞান থাকিব নোৱাৰে যে আনক জ্ঞান দি সৎগতি কৰিব। সৎগতি কৰোঁতা হৈছে এজনেই পিতা। এই সময়ত ভায়ো আছে আৰু পিতাও আছে। পিতা আহি গোটেই বিশ্বৰ আত্মাসকলক সৎগতি দিয়ে। বিশ্বৰ সৎগতি দাতা এজনেই। শ্ৰী শ্ৰী 108 জগতগুৰু বুলি কোৱা অথবা বিশ্বৰ গুৰু বুলি কোৱা, কথা একেটাই। এতিয়াতো হৈছে আসুৰি ৰাজ্য। সংগমতে পিতা আহি এই সকলো কথা বুজায়।

তোমালোকে জানা যে যথাযথ এতিয়া নতুন সৃষ্টি স্থাপনা হৈ আছে আৰু পুৰণি সৃষ্টিৰ বিনাশ সমাগত। এইটোও বুজোৱা হৈছে যে পতিত-পাৱন এজনেই নিৰাকাৰ পিতা। কোনো দেহধাৰী পতিত-পাৱন হ'ব নোৱাৰে। পতিত-পাৱন পৰমাত্মাই হয়। যদি পতিত-পাৱন সীতাৰাম বুলিও কয় তেতিয়াও পিতাই বুজাইছে যে ভক্তিৰ ফল দিবলৈ ভগৱান আহে। গতিকে সকলো সীতা হৈছে কইনা আৰু দৰা এজন ৰাম যিজন হৈছে সকলোকে সৎগতি দিওঁতা। এই সকলোবোৰ কথা পিতাইহে বহি বুজায়। ড্ৰামা অনুসৰি তোমালোকেই পুনৰ 5 হাজাৰ বছৰ পাছত এই কথাবোৰ শুনিবা। এতিয়া তোমালোক সকলোৱে পঢ়ি আছা। স্কুলত কিমানে পঢ়ে। এয়া সকলো ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। যি সময়ত যি পঢ়ে, যি কৰ্মকাণ্ড চলে সেই কৰ্মকাণ্ডই কল্পৰ পাছত হুবহু হ'ব, 5 হাজাৰ বছৰ পাছত আকৌ পঢ়িব। এই অনাদি ড্ৰামা ৰচি থোৱা আছে। যিয়েই প্ৰত্যক্ষ কৰিবা প্ৰতি চেকেণ্ডত নতুন বস্তু দেখিবলৈ পাবা। চক্ৰ ঘূৰি থাকিব। নতুন নতুন কথা তোমালোকে দেখি থাকিবা। এতিয়া তোমালোকে জানা যে এইখন হৈছে 5 হাজাৰ বছৰৰ ড্ৰামা যিখন চলিয়ে থাকে। ইয়াৰ বিস্তাৰতো বহুত আছে। মুখ্য মুখ্য কথাবোৰ বুজোৱা হয়। যেনেকৈ কোৱা হয় পৰমাত্মা সৰ্বব্যাপি, পিতাই বুজাইছে মই সৰ্বব্যাপি নহওঁ। পিতা আহি নিজৰ আৰু ৰচনাৰ আদি-মধ্য-অন্তৰ পৰিচয় দিয়ে। তোমালোকে এতিয়া জানা যে পিতা কল্পই কল্পই আমাক উত্তৰাধিকাৰ দিবলৈ আহে। এইটোও গায়ন আছে ব্ৰহ্মাৰ দ্বাৰা স্থাপনা। এই ক্ষেত্ৰত বুজাবলৈ বহুত ভাল। বিৰাট ৰূপৰো নিশ্চয় অৰ্থ থাকিব নহয়। কিন্তু পিতাৰ বাহিৰে কেতিয়াও কোনেও বুজাব নোৱাৰে। চিত্ৰতো বহুত আছে কিন্তু এখনৰো বুজনি কাৰো ওচৰত নাই। উচ্চৰো উচ্চ হৈছে শিৱবাবা, তেওঁৰো চিত্ৰ আছে কিন্তু কোনেও নাজানে। বাৰু আকৌ সূক্ষ্মলোক আছে সেয়া বাদ দিয়া, তাৰ দৰকাৰ নাই। ইয়াৰে ইতিহাস-ভূগোল বুজিব লাগে, সূক্ষ্মলোকতো হৈছে সাক্ষাৎকাৰৰ কথা। যেনেকৈ ইয়াত পিতাই বহি বুজায় তেনেকৈ সূক্ষ্মলোকত কৰ্মাতীত শৰীৰত বহি এওঁৰ লগত মিলিত হয় বা কথা পাতে। বাকী তাত বিশ্বৰ ইতিহাস-ভূগোলৰ কথা নাই। ইতিহাস-ভূগোল হৈছে ইয়াৰে। সন্তানসকলৰ বুদ্ধিত আছে যে সত্যযুগত দেৱী-দেৱতাসকল আছিল, যাৰ 5 হাজাৰ বছৰ হ'ল। এই আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কেনেকৈ হ'ল - এইটোও কোনেও নাজানে। অন্য ধৰ্ম প্ৰতিষ্ঠাৰ বিষয়েতো সকলোৱে জানে। কিতাপ আদিও আছে। লাখ লাখ বছৰৰ কথাতো হ'ব নোৱাৰে। এয়াতো একেবাৰে ভুল কিন্তু মনুষ্যৰ বুদ্ধিয়ে কোনো কাম নকৰে। পিতাই প্ৰতিটো কথাই বুজায় - মৰমৰ সন্তানসকল, ভালদৰে ধাৰণ কৰা। মুখ্য কথা হৈছে পিতাৰ স্মৃতি। এয়া হৈছে স্মৃতি দৌৰ। দৌৰ নহয় জানো। কিছুমানে অকলে অকলে দৌৰে। কিছুমানে দুজন লগ হৈ দুখন ভৰি বান্ধি তিনিঠেঙীয়া দৌৰো দৌৰে।

ইয়াতো যিসকল যুগল (স্বামী-স্ত্ৰী) আছে তেওঁলোকেও একেলগে দৌৰাৰ অভ্যাস কৰে। এনেকৈ ভাবে যে সত্যযুগতো এনেকৈয়ে যুগল হৈ যাব। কিন্তু নাম-ৰূপ সলনি হৈ যায়, সেইটো শৰীৰে জানো পাব। শৰীৰতো সলনি হৈ থাকে। বুজি পায় আত্মাই এটা শৰীৰ এৰি আন এটা লয়। ৰূপতো বেলেগ হ'ব। কিন্তু সন্তানসকল আচম্বিত হোৱা উচিত যি চেহেৰা, যি কৰ্মকাণ্ড প্ৰতি চেকেণ্ডত হৈ গ'ল সেয়া পুনৰ 5 হাজাৰ বছৰ পাছত হুবহু পুনৰাবৃত্তি হ'ব। এই নাটকখন কিমান বিস্ময়কৰ, আন কোনেও বুজাব নোৱাৰে। তোমালোকে জানা যে আমি সকলোৱে পুৰুষাৰ্থ কৰি আছোঁ। ক্ৰমানুসৰিতো হ'বই। সকলোৱেতো শ্ৰীকৃষ্ণ নহ'বগৈ। চেহেৰা সকলোৰে বেলেগ হ'ব। কিমান বিশাল বিস্ময়কৰ নাটক। এজনৰ চেহেৰা আনজনৰ লগত নিমিলে। সেই হুবহু খেলখনেই পুনৰাবৃত্তি হয়। এই সকলোবোৰ কথা বিচাৰ কৰি আচম্বিত হ'ব লাগে। কেনেকৈ বেহদৰ পিতা আহি পঢ়ায়। জন্ম-জন্মান্তৰতো ভক্তিমাৰ্গৰ শাস্ত্ৰ আদি পঢ়ি আহিলা, সাধুসকলৰ কথা আদিও শুনিলা। এতিয়া পিতাই কয় - ভক্তিৰ সময় পূৰা হ'ল। এতিয়া ভক্তসকলে ভগৱানৰ দ্বাৰা ফল লাভ কৰে। এইটো নাজানে যে ভগৱান কেতিয়া কি ৰূপত আহিব? কেতিয়াবা কয় যে শাস্ত্ৰ পঢ়িলে ভগৱানক পামনে? কেতিয়াবা কয় ইয়ালৈ আহিব। শাস্ত্ৰৰ দ্বাৰাই যদি কাম হয় তেন্তে পিতা কিয় আহিব লাগে। শাস্ত্ৰ পঢ়িলেই যদি ভগৱানক লাভ কৰে তেন্তে বাকী ভগৱানে আহি কি কৰিব। আধাকল্প তোমালোকে এই শাস্ত্ৰ পঢ়ি পঢ়ি তমোপ্ৰধানহে হৈ আহিলা। সেয়েহে সন্তানসকলক সৃষ্টি চক্ৰৰ বিষয়েও বুজাই থাকে আৰু দৈৱী চাল-চলনৰো প্ৰয়োজন। এটা হৈছে কাকো দুখ দিব নালাগে। এনেকুৱা নহয় যে কোনোবাই বিহ (বিকাৰগ্ৰস্ত হ'ব) বিচাৰিলে সেয়া নিদিলে দুখ দিয়া হ'ব। এনেকৈতো পিতাই নকয়। কোনোবা এনেকুৱা মূৰ্খও ওলায় যিয়ে কয় - বাবাই কৈছে নহয় কাকো দুখ দিব নালাগে। গতিকে বিহ বিচাৰিলে দিব লাগে, নহ'লে এয়াও আনক দুখ দিয়া নহ'ল জানো। এনেকৈ বুজোঁতা মূঢ়মতীও (মূৰ্খ বুদ্ধিৰো) আছে। পিতাইতো কয় – "পৱিত্ৰ নিশ্চয় হ'ব লাগে", আসুৰি চলন আৰু দৈৱী চলনৰো জ্ঞান থাকিব লাগে। মনুষ্যইতো এইটোও বুজি নাপায়, তেওঁলোকে কৈ দিয়ে - আত্মা নিৰ্লেপ। যি ইচ্ছা তাকে কৰা, খোৱা-পান কৰা, বিকাৰত যোৱা, কোনো কথা নাই। এনেকৈও শিকায়। কিমানক ধৰি বান্ধি লৈ আনে। বাহিৰতো বহুত নিৰামিষভোজী আছে। নিশ্চয় ভাল সেয়েহে নিৰামিষভোজী হৈছে। সকলো জাতিতে বৈষ্ণৱ আছে। ছিঃ ছিঃ বস্তু নাখায়। অৱশ্যে তেনে লোক সংখ্যাত তাকৰ। তোমালোকো সংখ্যাত তাকৰ। এই সময়ত তোমালোক কিমান কম সংখ্যক আছা। লাহে লাহে বৃদ্ধি হৈ গৈ থাকিব। সন্তানসকলে এইটোৱে শিক্ষা লাভ কৰে - দৈৱীগুণ ধাৰণ কৰা। অন্য কোনোবাই ৰন্ধা বা তৈয়াৰ কৰা ছিঃ ছিঃ বস্তু খাব নালাগে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) নিজৰ খতিয়ানত চাব লাগে - 1) মই শ্ৰীমতৰ বিৰূদ্ধেতো নচলোঁ? 2) মিছা কথাতো নকওঁ? 3) কাকো বিতুষ্টতো নকৰোঁ? দৈৱীগুণ ধাৰণ কৰিছোঁনে?

(2) পঢ়াৰ লগতে দৈৱী চাল-চলনো ধাৰণ কৰিব লাগে। "পৱিত্ৰ নিশ্চয় হ'ব লাগে"। কোনো ধৰণৰ ছিঃ ছিঃ বস্তু খাব নালাগে। সম্পূৰ্ণ বৈষ্ণৱ হ'ব লাগে। স্মৃতিৰ দৌৰ লগাব লাগে।

**বৰদান:** পিতাৰ আজ্ঞা অনুসৰি বুদ্ধি খালী কৰি ৰাখোঁতা ব্যৰ্থ বা বিকাৰী স্বপ্নৰ পৰাও মুক্ত হোৱা

পিতাৰ আজ্ঞা হৈছে যে শোৱাৰ সময়ত নিজৰ বুদ্ধি খালী কৰা, ভালেই হওঁক বা বেয়াই হওঁক সকলো পিতাক অৰ্পণ কৰি নিজৰ বুদ্ধি খালী কৰা। পিতাক অৰ্পণ কৰি পিতাৰ লগত শুই যোৱা। অকলে নহয়। অকলে শুলে অথবা ব্যৰ্থ কথা বৰ্ণনা কৰি কৰি শুলে তেতিয়া ব্যৰ্থ বা বিকাৰী স্বপ্ন আহে। এয়াও অমনোযোগিতা। এই অমনোযোগিতা এৰি আজ্ঞা অনুসৰি চলা তেতিয়া ব্যৰ্থ বা বিকাৰী স্বপ্নৰ পৰা মুক্ত হৈ যাবা।

**শ্লোগান:** ভাগ্যৱান আত্মাসকলেহে সঁচা সেৱাৰ দ্বাৰা সকলোৰে আশীৰ্বাদ প্ৰাপ্ত কৰে।

!! ওঁম্ শান্তি !!

পুৰণা সংস্কাৰ পৰিৱৰ্তন কৰি সংস্কাৰ মিলনৰ ৰাস কৰিবলৈ আজিৰ অব্যক্ত সংকেত:

যেনেকৈ পিতাৰ সংস্কাৰ সদায় উদাৰ অন্তৰৰ, কল্যাণকাৰী, নিঃস্বাৰ্থ, দয়াশীল, পৰোপকাৰী, তোমালোক সন্তানসকলৰো

তেনেকুৱা সংস্কাৰ হওঁক। সদায় পৰস্পৰ একমত, স্নেহী, সহযোগী হৈ সংস্কাৰ মিলন কৰা – এয়াই মহানতা। সংস্কাৰৰ সংঘৰ্ষ যাতে নহয়, সদায় সংস্কাৰ মিলনৰ ৰাস কৰি থাকা। সংস্কাৰ মিলন কৰা অৰ্থাৎ সম্পূৰ্ণতা আৰু সময়ক সমীপত অনা।